**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। আজিৰে পৰা তিনিদিনীয়াকৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অষ্ট্ৰিয়ান চেঞ্চেলৰ ড০ ক্ৰিষ্টিয়ান ষ্ট'কাৰ আজি নতুন দিল্লীত দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

৩। ভাৰতে ২০২৫-২৬ বিত্তীয় বৰ্ষত অভিলেখ পৰিমাণৰ ৮৬০ বিলিয়ন আমেৰিকান ডলাৰৰ ৰপ্তানি কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ূষ গোৱেলে প্ৰকাশ কৰিছে।

৪। পশ্চিম এছিয়াৰ সমস্যা সমাধানৰ বাবে কূটনৈতিক প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তে অঞ্চলটোত পুনৰ উত্তেজনাৰ সৃষ্টি হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাজিত কৰে।

০০০০০

আজিৰে পৰা তিনিদিনীয়াকৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। বাজেট অধিৱেশনৰ সময়সীমা বৃদ্ধি কৰি এই তিনিদিনীয়া বিশেষ সত্ৰৰ আয়োজন কৰা হৈছে। অহা ১৮ এপ্ৰিলত সামৰণি পৰিবলগীয়া এই অধিৱেশনৰ সময়ছোৱাত নাৰী শক্তি বন্দন অধিনিয়মৰ সাংবিধানিক সংশোধনী সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। ২০২৩ চনত গৃহীত এই বিধেয়কখনে লোকসভা আৰু ৰাজ্য বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণৰ প্ৰস্তাৱ দিছে। এই অধিৱেশনত উত্থাপন কৰিবলগীয়া সংশোধনী বিধেয়ক কেইখন হৈছে— সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু পৰিবৰ্ধন বিধেয়ক ২০২৬। সংবিধান সংশোধনী বিধেয়কখনে ভাৰতীয় সংবিধানৰ দফা সংশোধনৰ প্ৰস্তাৱ দিয়াৰ লগতে কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়কে চৰকাৰৰ ১৯৬৩ চনৰ কেন্দ্ৰীয়শাসিত অঞ্চল আইন, ৰাষ্ট্ৰীয় ৰাজধানী দিল্লী চৰকাৰ আইন ১৯৯১ আৰু জম্মু আৰু কাশ্মীৰ পুনৰ গঠন আইন ১৯১৯ৰ সংশোধনীৰ প্ৰস্তাৱ দিব। পৰিবৰ্ধন বিধেয়কখনে লোকসভাত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ পৰা আসনৰ সংখ্যা বৃদ্ধি কৰাৰ পোষকতা কৰিব। সংসদৰ এই বিশেষ সত্ৰত ২০২৯ চনৰ সংসদীয় নিৰ্বাচনৰ পূৰ্বে আৰু লোকসভাত সদস্য সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মহিলাৰ বাবে আসন সংৰক্ষণ আইন বলৱৎ হোৱাটো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুদিন পূৰ্বে সদনৰ নেতাসকলক এই সংশোধনী বিধেয়ককেইখন গৃহীত কৰাৰ বাবে এই বিশেষ সত্ৰত উপস্থিত থাকিবলৈ আহ্বান জনাইছিল। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়কে প্ৰতিখন ৰাজ্য, সম্প্ৰদায় আৰু অঞ্চলৰ অভিলাষ পূৰণ কৰিব বুলি নিশ্চিত কৰিছে। বিজেপিৰ লগতে জে ডি ইউ, এল জে পি আৰ আৰু কংগ্ৰেছে তেওঁলোকৰ সাংসদসকলক এই

অধিৱেশনৰ সময়ত দুয়োখন সদনতে উপস্থিত থাকিবলৈ থ্ৰী লাইন উইপ জাৰি কৰিছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয়, যে দলটোৱে মহিলাৰ আসন সংৰক্ষণ বিধেয়কৰ সমৰ্থন জনাইছে যদিও এই বিধেয়কখন কেনেদৰে উত্থাপন কৰা হ'ব এই সন্দৰ্ভত সন্দেহ আছে বুলি ব্যক্ত কৰিছে। বিধেয়কখন ৰাজনৈতিকভাৱে উদ্দেশ্য প্ৰণোদিত হ'ব পাৰে বুলি তেওঁ মন্তব্য কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অষ্ট্ৰিয়ান চেঞ্চেলৰ ড০ ক্ৰিষ্টিয়ান ষ্ট'কাৰ আজি নতুন দিল্লীত দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়ো দেশৰ মাজত কেইবাটাও বিষয়ত পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে এই বৈঠক অনুষ্ঠিত হ'ব। তেওঁলোকে লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহো আলোচনা কৰিব। সামাজিক মাধ্যমৰ বাৰ্তাযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে এই আলোচনাই ন-ন ক্ষেত্ৰত সুযোগ সুবিধাৰ সৃষ্টি কৰিব। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে অষ্ট্ৰিয়ান চেঞ্চেলৰগৰাকীৰ সৈতে দেশখনৰ অৰ্থনীতি, শক্তি আৰু পৰ্যটন মন্ত্ৰী ড০ ৰলফ গেঙ্গ হেটমেনছ্ডৰ্ফাৰ, জ্যেষ্ঠ বিষয়াসকল আৰু ব্যৱসায়িক ক্ষেত্ৰৰ প্ৰতিনিধিকে ধৰি এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দল আহিছে। ভাৰত তথা এছিয়ালৈ চেঞ্চেলৰগৰাকীৰ এয়া প্ৰথম ভ্ৰমণ। উল্লেখযোগে যে ভাৰত আৰু অষ্ট্ৰিয়াই সৌহাৰ্দ্যপূৰ্ণ, বহুমুখী আৰু গণতান্ত্ৰিক প্ৰমূল্যৰ সামঞ্জস্যৰে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখি আহিছে। ২০২৪ চনৰ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অষ্ট্ৰিয়া ভ্ৰমণে দেশ দুখনৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰি তুলিছে।

ooooo

আমেৰিকাত ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় মোহন কোৱাট্ৰাই আমেৰিকাৰ বাণিজ্য প্ৰতিনিধি জেমিচন গ্ৰীৰ আৰু প্ৰাক্তন ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা ৰ'বাৰ্ট অ'ব্ৰিয়েনক ৱাশ্বিংটনত সাক্ষাৎ কৰিছে। ভাৰত আৰু আমেৰিকাই দ্বিপাক্ষিক বাণিজ্যৰ নতুন চুক্তি সন্দৰ্ভত বুজাবুজিলৈ অহাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক অনুষ্ঠিত হৈছে। ভাৰতীয় বিষয়াৰ এটা প্ৰতিনিধি দল আমেৰিকালৈ গৈ এই চুক্তিসমূহ সন্দৰ্ভত বৈঠকত মিলিত হ'ব বুলি কোৱা হৈছে। শ্ৰীকোৱাট্ৰাই সামাজিক মাধ্যম এক্সত দিয়া এটা বাৰ্তাযোগে কয়, যে তেওঁ আমেৰিকাৰ বাণিজ্য প্ৰতিনিধি আৰু সুৰক্ষা উপদেষ্টাগৰাকীক ইণ্ডিয়া হাউছত আতিথ্য কৰি সন্তুষ্টি লাভ কৰিছে।

ooooo

ভাৰতে ২০২৫-২৬ বিত্তীয় বৰ্ষত অভিলেখ পৰিমাণৰ ৮৬০ বিলিয়ন আমেৰিকান ডলাৰৰ ৰপ্তানি কৰিছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীগোৱেলে কয়, যে গোলকীয় ক্ষেত্ৰত দেখা দিয়া বিভিন্ন প্ৰত্যাহ্বান সত্বেও ভাৰতৰ এই সাফল্যই দেশখনৰ গোলকীয় বাণিজ্য শক্তিশালী হোৱাৰ লগতে বাণিজ্যিক ক্ষেত্ৰৰ স্থিতিস্থাপকতাৰে ইংগিত বহন কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সম্পন্ন হোৱা ৯ খন বাণিজ্যিক চুক্তিৰ ফলত নতুন বজাৰ মুকলি হোৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত ব্যাপক সুযোগৰ সৃষ্টি হৈছে। তেওঁ কয়, যে ব্যৱসায়িক সুচলতা সৃষ্টিৰ বাবে চৰকাৰৰ প্ৰচেষ্টা আৰু ব্যৱসায়ী তথা বিনিয়োগকাৰীৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিৰ ফলত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতৰ যাত্ৰা অধিক সুচল হ'ব।

ইপিনে ASSOCHAMৰ অধ্যক্ষ নিৰ্মল মিন্দাই ভাৰতৰ এই সাফল্যক আদৰণি জনোৱাৰ লগতে এই কথাই দেশখনৰ শক্তিশালী স্থিতি আৰু গোলকীয় প্ৰত্যাহ্বান অতিক্ৰমী তিষ্ঠি থকাৰ ক্ষমতাকে প্ৰতিপন্ন

কৰিছে বুলি মন্তব্য কৰিছে। ২০২৬-২৭ বিত্তীয় বৰ্ষত ভাৰতৰ ৰপ্তানিয়ে ১ ট্ৰিলিয়ন আমেৰিকান ডলাৰ অতিক্ৰম কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

পশ্চিম এছিয়াৰ সমস্যা সমাধানৰ বাবে কূটনৈতিক প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তে ইজৰাইলে দক্ষিণ লেবাননত সামৰিক অভিযান চলোৱা আৰু আমেৰিকাই ইৰানৰ বন্দৰসমূহত নৌসেনাৰ অৱৰোধ শক্তিশালী কৰাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ অঞ্চলটোত পুনৰ উত্তেজনাৰ সৃষ্টি হৈছে। আমেৰিকাৰ চেন্ট্ৰেল কামাণ্ডে প্ৰকাশ কৰা অনুসৰি অৱৰোধৰ প্ৰথম ৪৮ ঘণ্টাত কোনো জাহাজে আমেৰিকাৰ বাহিনীক অতিক্ৰমী পাৰ হ'ব পৰা নাছিল আৰু কমেও ৯ খন জাহাজ ইৰানৰ জল সীমাৰ দিশে উভতি গৈ নিৰ্দেশনা মানি চলিছিল। ইপিনে দক্ষিণ লেবাননত ইজৰাইলৰ বিমান আক্ৰমণ অব্যাহত আছে। লেবাননৰ প্ৰশাসনে পেৰামেডিকেল কৰ্মীকে ধৰি ভালেসংখ্যৰ লোকৰ মৃত্যু হোৱা বুলি তথ্য প্ৰকাশ কৰিছে। ইজৰাইল বাহিনীয়ে প্ৰকাশ কৰা মতে তেওঁলোকে ২৪ ঘণ্টাৰ ভিতৰত কমেও ২০০টা হিজবুল্লাৰ লক্ষ্যত আঘাত হানে। ইয়াৰ প্ৰত্যুত্তৰত উত্তৰ ইজৰাইলত হিজবুল্লাই ৰকেটেৰে আক্ৰমণ চলাইছে। দুয়ো পক্ষই প্ৰত্যক্ষ আলোচনাত মিলিত হোৱাৰ পাছতো পশ্চিম এছিয়াজুৰি উত্তেজনা অব্যাহত আছে। ইয়াৰ আগেয়ে চলিত মাহৰ আৰম্ভণিতে হোৱা কেইবাটাও বিমান আক্ৰমণৰ পাছত বেইৰুটত আক্ৰমণৰ পৰা হাত সাৰিবলৈ ইজৰাইলে দক্ষিণ লেবাননত আক্ৰমণ চলাই আছে। ইৰানে আমেৰিকাৰ দেশখনৰ বাণিজ্যিক জাহাজৰ চলাচল আৰু তেল ৰপ্তানীৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিলে দেশখনে এই সংঘাতক অধিক ভয়াৱহ কৰি তুলিব বুলি ভাবুকি দিছে।

০০০০০

কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী হৰ্ষ মালহোত্ৰা আৰু দিল্লী বিজেপি সভাপতিৰ বীৰেন্দ্ৰ সচদেৱাই কালি নাৰী শক্তি বন্দন অধিনিয়মৰ সমৰ্থনত মধুৱন চ'কত এটা পদযাত্ৰাত অংশগ্ৰহন কৰে। পূব দিল্লীৰ বিভিন্ন অঞ্চলৰ মহিলাসকলে নিৰ্মাণ বিহাৰ মেট্ৰো ষ্টেচনৰ পৰা লক্ষ্মীনগৰ মেট্ৰো ষ্টেচনলৈ এই পদযাত্ৰাত অংশগ্ৰহন কৰে। এই উপলক্ষে দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে, ভাৰত এনে এখন ৰাজ্য য'ত পঞ্চায়ত আৰু পৌৰনিগমসমূহত মহিলাৰ বাবে ইতিমধ্যে ৫০ শতাংশ সংৰক্ষণ আছে আৰু বৰ্তমান ৰাজ্য বিধানসভা আৰু সংসদত মহিলাক ৩৩ শতাংশ সংৰক্ষণ প্ৰদানৰ দিশে আগবাঢ়িছে।

দিল্লী বিজেপিৰ সভাপতিৰ বীৰেন্দ্ৰ সচদেৱাই কয় যে, অনাগত দিনবোৰ ঐতিহাসিক হিচাপে বিবেচিত হ'ব, কিয়নো নাৰী শক্তি বন্দন অধিনিয়ম সংসদত উত্থাপন কৰা হ'ব। তেওঁ কয় যে, ইয়াকে লৈ দেশৰ ভিন্ন প্ৰান্তৰ বিশেষকৈ দিল্লীৰ মহিলাসকলৰ মাজত ব্যাপক উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে। মহিলাসকলে তেওঁলোকৰ প্ৰজ্ঞা আৰু সামৰ্থ্যৰ সহায়ত প্ৰতিটো ক্ষেত্ৰতে সফলতা অৰ্জন কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, তেওঁলোকৰ অধিকাৰসমূহো নিশ্চিত কৰা উচিত। তেওঁ লগতে কয় যে, ২০১৪ চনৰে পৰা বিভিন্ন চৰকাৰী আঁচনিত মহিলাক প্ৰাধান্য দিয়া হৈছে আৰু মহিলাৰ উন্নয়নে সমাজ তথা ৰাষ্ট্ৰৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত কালি ৰেলে খুন্দিওৱাৰ ফলত ৫জন লোকৰ মৃত্যু হয়। ঘটনাৰ তথ্য লাভ কৰাৰ পিছত আৰক্ষী আৰু ৰেল বিভাগৰ দল ততাতৈয়াকৈ ঘটনাস্থলীত

উপস্থিত হৈ মৃতদেহকেইটা চমজি লয় আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। নিহত লোককেইজনৰ পৰিচয় উদ্ধাৰ কৰাৰ বাবে প্ৰয়াস চলাই থকা হৈছে বুলি আৰক্ষী  সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাজিত কৰে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মিচেল মাৰ্শ্বে সৰ্বাধিক ৪০ ৰান কৰে। বাংগালুৰুৰ ৰাছিক ছলমান ডৰে ৪টা আৰু ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৫ অভাৰ আৰু এটা বলতেই ৫ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। অপেনাৰ বিৰাট কোহলিয়ে ৪৯ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ প্ৰিন্স যাদৱে ৩টা আৰু আৱেশ খানে ২টা উইকেট লাভ কৰে। বাংগালুৰুৰ জছ্ হেজেলউদক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ পঞ্জাৱ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাজিত কৰে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মিচেল মাৰ্শ্বে সৰ্বাধিক ৪০ ৰান কৰে। বাংগালুৰুৰ ৰাছিক ছলমান ডৰে ৪টা আৰু ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৫ অভাৰ আৰু এটা বলতেই ৫ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। অপেনাৰ বিৰাট কোহলিয়ে ৪৯ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ প্ৰিন্স যাদৱে ৩টা আৰু আৱেশ খানে ২টা উইকেট লাভ কৰে। বাংগালুৰুৰ জছ্ হেজেলউদক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ পঞ্জাৱ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত